অধ্যায়-১২ ঃ জনসম্পর্কৰ জনগোষ্ঠী

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ লক্ষ্য শ্ৰোতা
১২.৪ জনসম্পর্কৰ জনগোষ্ঠী (পাব্লিক্ছ)
১২.৪.১ অভ্যন্তৰীণ জনগোষ্ঠী
১২.৪.২ বাহ্যিক জনগোষ্ঠী
১২.৫ জনসম্পর্কৰ প্ৰচাৰ মাধ্যম
১২.৫.১ মুদ্ৰণ মাধ্যম (ছপা মাধ্যম)
১২.৫.২ দূৰদৰ্শন
১২.৫.৩ ৰেডিঅ'
১২.৫.৪ বোলছবি
১২.৫.৫ নতুন মাধ্যম
১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৭ অধিক জানিবলৈ
১২.৮ অগ্ৰগতিৰ খতিয়ান
১২.৯ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- লক্ষ্যশ্ৰোতাৰ ধাৰণাটো বৰ্ণনা কৰিব পাৰিব।
- জনসম্পর্কৰ অভ্যন্তৰীণ আৰু বাহ্যিক জনগোষ্ঠীৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- অভ্যন্তৰীণ আৰু বাহ্যিক জনগোষ্ঠীৰ সংযোগসুত্ৰ অংকন কৰিব পাৰিব।
- জনসম্পর্কৰ অভিযানৰ বাবে জনসম্পর্কৰ জৰুৰী মাধ্যমসমূহ উল্লেখ কৰিব পাৰিব।

১২.২ পৰিচয়

আগৰ অধ্যায়টিত আমি এটা সংগঠনৰ জনসম্পর্ক ব্যৱস্থাৰ বিশ্লেষণ কৰাৰ লগতে জনসম্পর্কৰক্ষী বিভাগৰ কার্য-উদ্দেশ্য আৰু সংকটকালীন ব্যৱস্থাপনাৰ বিষয়ে আলোচনা কৰিলোঁ।

এই অধ্যায়টিয়ে জনসম্পর্কৰ কেইটামান জৰুৰী বিষয়ৰ ওপৰত মনোনিবেশ কৰিব; যেনে— জনসম্পর্কৰ দুয়োটি জনগোষ্ঠী— অভ্যন্তৰীণ আৰু বাহ্যিক, জনসম্পর্কৰ মাধ্যম ইত্যাদি।

তলত দিয়া অধ্যায়টিত আমি জনসম্পর্কৰ বিভিন্ন আহিলাসমূহ; যেনে— হাউছ জার্ণেল (গৃহ আলোচনী), বুলেটিন বোর্ড (তথ্য ফলক), অ'পেন ডে (মুক্ত দিৱস), ভিডিঅ' মেগাজিন আদিৰ বিষয়ে আলোচনা কৰিম।

১২.৩ লক্ষ্য-শ্রোতা (Target Audience)

দর্শক-শ্রোতাৰ যিটো অংশক চিনাক্ত কৰি তেওঁলোকক উদ্দেশ্য কৰি গণ সংযোগৰ বার্তা আৰু কার্যসূচী প্রস্তুত কৰা হয়, তেওঁলোকক লক্ষ্য শ্রোতা হিচাপে জনা যায়। লক্ষ্য শ্রোতাসকলৰ আৱশ্যকতা পূৰণ কৰাটো এটা সংগঠনৰ বাবে অতি গুৰুত্বপূর্ণ কার্য। লক্ষ্য শ্রোতাসকল একোটা সুকীয়া দল বা এচাম গ্রাহকৰ এটা খণ্ডক লৈ গঠিত হ'ব পাৰে। ইয়াৰ লগত জড়িত বহুসংখ্যক কার্য-কলাপে বিভিন্ন প্রকাৰৰ গ্রাহকৰ চাহিদা পূৰণ কৰে। যদিও কিছুমান ব্যৱসায়িক কলা-কৌশল এই আটাইবোৰ খণ্ডৰ ক্ষেত্রতে প্রযোজ্য হয়, তথাপি গ্রাহকৰ পৰা যথার্থ সঁহাৰি লাভ কৰাৰ অর্থে যাতে সংগঠনটোৱে ব্যৱসায়িক বার্তাসমূহ সঠিকভাৱে প্রেৰণ কৰিব পাৰে, তাৰ বাবে প্রত্যেকটো লক্ষ্য শ্রোতা-গোষ্ঠীৰ বিষয়ে জনাটো অত্যন্ত আৱশ্যক।

লক্ষ্য শ্রোতাগোষ্ঠীৰ চিনাক্তকৰণ আৰু বার্তাসমূহ গ্রাহকৰ জুতি অনুসৰি পৰিৱেশন কৰাটো জনসম্পর্ক ব্যৱহাৰ হোৱা এটি মূল কিটিপ। একোটা লক্ষ্যশ্রোতা গোষ্ঠীৰ আয়তন সাধাৰণ, দেশব্যাপি বা বিশ্বব্যাপিও হ'ব পাৰে। কিন্তু বহুক্ষেত্রত ই কোনোবা জনগোটৰ এটা খণ্ডত সীমিত থাকে। জনসম্পর্কৰ কাৰবাৰসমূহে দৈনন্দিন হিচাপত এটা বৃহৎ পৰিসৰৰ জনসংখ্যাৰ চাহিদা পূৰণ কৰে। জনসম্পর্কৰক্ষী সংস্থা একোটাই বিভিন্নধৰণৰ জনগোটসমূহৰ লগত আদান প্রদান কৰিব লাগে। তেওঁলোকৰ সৈতে স্থাপন কৰা এই যোগসূত্রক কার্যকৰী কৰি তোলাৰ বাবে সঠিক কলা-কৌশল আৰু উচিত মাধ্যমৰ বাছনি কৰাটো অতিকৈ প্রয়োজনীয় কথা।

যিকোনো ডাঙৰ জনসম্পর্কৰক্ষী অনুষ্ঠানৰ কিছুমান স্বকীয় বিভাগ থাকে।

- সমাজ-সংগঠনটোৰ অৱস্থানৰ চাৰিওকাষে থকা লোকসকল।
- মতামত অধিকাৰী ৰাজনীতিজ্ঞ, বিভাগীয় শাসনপ্রণালী— বিধায়ক, সমাজ সেৱক আদিকে ধৰি যিসকল লোকে ৰাইজৰ মতামত নির্ধাৰণ কৰে।
- প্রচাৰ মাধ্যম— প্রেছ (ছপাশাল), টেলিভিছন (দূৰদর্শন), ৰেডিঅ' (অনাতাঁৰ যন্ত্র) ইত্যাদি।
- চাকৰিয়াল-সংগঠনৰ উচ্চস্তৰৰ কার্যনির্বাহকৰ পৰা নিম্নবর্গলৈ যিসকল লোকে অনুষ্ঠানটোৰ বাবে কাম কৰে।
- যোগান ধৰোঁতা— লাগতিয়াল সামগ্রীসমূহৰ যোগান ধৰা লোকসকল।

- গ্ৰাহক আৰু ব্যৱহাৰ কৰোঁতা— বৰ্তমান, অতীত আৰু ভবিষ্যৎ।
- ব্যৱসায়ী-বিতৰক, পাইকাৰী বিক্ৰেতা ইত্যাদি আৰু
- বিত্তীয় সম্পৰ্কসমূহ— বেংকৰ বেংক বিষয়া শ্বেয়াৰ কিনোঁতা, বিনিয়োগকাৰী, দালাল ইত্যাদি।



অগ্ৰগতিৰ নিৰিক্ষন

প্ৰশ্ন নং ১। লক্ষ্য-শ্ৰোতা মানে কি বুজে?

.....

.....

.....

প্ৰশ্ন নং ২। এটা সংগঠনৰ অন্তৰ্গত লক্ষ্য-শ্ৰোতা গোষ্ঠীসমূহৰ যিকোনো পাঁচটা উদাহৰণ দাঙি ধৰক।

.....

.....

.....

১২.৪ জনসম্পৰ্কৰ জনগোষ্ঠী (পাব্লিকছ)

জনসম্পৰ্কক ধাৰণাগতভাৱে দুই ভাগত বিভক্ত কৰিব পাৰি— 'জন' আৰু 'সম্পৰ্ক'। ব্যক্তি বিশেষ বা গোষ্ঠীবিশেষৰ মাজত থকা সম্বন্ধ বা সম্পৰ্ক তথা সকলোধৰণৰ পাৰস্পৰিক আদান-প্ৰদানক 'সম্পৰ্ক' হিচাপে জনা যায়। এতিয়া এইক্ষেত্ৰত 'জন' হিচাপে আমি কি বুজো? ৱেবষ্টাৰৰ অভিধান অনুসৰি 'জন' মানে সৰ্বসাধাৰণ ৰাইজক সাঙুৰি লোৱা এটা বৃহৎ গোট অথবা কিছুমান উমৈহতীয়া স্বাৰ্থৰ সিদ্ধিৰ অৰ্থে সংগঠিত হোৱা এটা জনগোট। আন অৰ্থত ক'বলৈ গ'লে কিছুমান উমৈহতীয়া স্বাৰ্থ বা বিষয়ৰ দ্বাৰা সাধাৰণ হ'লেও এক প্ৰকাৰৰ বান্ধোনত আবদ্ধ হোৱা যিকোনো এটা জনগোটক 'ৰাইজ' বা 'জন' হিচাপে ব্যাখ্যা কৰা হয়।

আমাৰ বিষয়ৰ লগত জড়িত থকা 'জনসমূহক চাকৰিয়াল, ষ্টক হোল্ডাৰ (জমাকাৰী) গ্ৰাহক আদি হিচাপে উল্লেখ কৰা হ'ব।

ইতিমধ্যে আমি প্ৰথম অধ্যয়টিত একপ্ৰকাৰৰ কাৰ্যনিৰ্বাহ হিচাপে জনসম্পৰ্কৰ কথা আলোচনা কৰিছো। কাৰ্যনিৰ্বাহ দৃষ্টিকোণেৰে আমি জনসম্পৰ্কক দুভাগক বিভক্ত কৰিব পাৰো। প্ৰথমটো

হৈছে অভ্যন্তৰীণ জনগোষ্ঠী আৰু বাহ্যিক জনগোষ্ঠী। দ্বিতীয়টো সংগঠন বা বিভাগটোৰ কার্যনির্বাহ সংগঠনটো লগত প্রত্যক্ষ বা পৰোক্ষভাৱে জড়িত হৈ তথা অন্য বিভাগসমূহৰ আস্থা আৰু বিশ্বাস লাভ কৰাৰ উপৰি জৰুৰী উদ্দেশ্যসমূহ পুৰণ কৰাৰ অর্থে চাকৰিয়ালসমূহৰ সহায়-সহযোগিতা আদায় কৰিবলৈ সক্ষম হ'ব লাগিব।

জনসম্পর্কৰ পৰম্পৰাগত চলন-ৰীতি অনুসৰি জনগোষ্ঠীসমূহক দুভাগত বিভক্ত কৰা হয়— অভ্যন্তৰীণ 'জনগোষ্ঠী' আৰু বর্হিগত 'বাহ্যিক' 'জনগোষ্ঠী'। এতিয়া আমি দুয়োটা ভাগৰ কথা বিস্তৃতভাৱে আলোচনা কৰিম।

১২.৪.১ অভ্যন্তৰীণ জনগোষ্ঠী

অভ্যন্তৰীণ জনগোষ্ঠী এটা সংগঠনৰ সৈতে প্রত্যক্ষভাবে জড়িত বা সম্বন্ধযুক্ত হয়। এই জনগোষ্ঠীটো সংগঠনটোৰ লগত অতি ঘনিষ্ঠভাবে জড়িত হৈ থাকে আৰু প্রশাসনিক, কার্যনির্ব্বাহ আৰু ব্যৱসায়িক আদি সকলো কার্যকলাপতে অংশগ্রহণ কৰে।

এজন নিয়োগকর্তাৰ দ্বাৰা কোনো এটা কাম নিয়মিতভাবে কৰিবলৈ চুক্তিবদ্ধ হোৱা জনকে এজন চাকৰিয়াল হিচাপে জনা যায়। এজন চাকৰিয়ালে নিয়োগকর্তাৰ বাসভৱনত অথবা পৰস্পৰে সিদ্ধান্ত লৈ মাস্তি হোৱা যিকোনো এখন ঠাইতে কাম কৰে আৰু তেওঁক নিয়মিতভাৱে বেতন দিয়া হয়। তেওঁ নিয়োগকর্তাৰ পৰা ৰোজগাৰ সুৰক্ষাৰ প্রতিশ্রুতি পোৱাৰ উপৰিও বিভিন্নধৰণৰ লাভদায়ক আঁচনিৰ দ্বাৰা উপকৃত হয়। চাকৰিয়ালসকল এটা সংগঠনৰ অভ্যন্তৰীণ জনগোষ্ঠীৰ এটা গুৰুত্বপূর্ণ অংশ হয়। কাৰণ তেওঁলোকে সংগঠনৰ বিভিন্ন কার্যকলাপসমূহত অথবা যোগান, কার্যনির্ব্বাহ আদি সকলো কার্যকৰী বিভাগসমূহৰ লগতো প্রত্যক্ষভাবে জড়িত হৈ থাকে। তেওঁলোকে সিদ্ধান্ত গ্রহণ প্রণালী-সমূহতো প্রত্যক্ষ বা পৰোক্ষভাৱে অংশগ্রহণ কৰে। চাকৰিয়ালসকলৰ কামকাজৰ যোগেদিয়েই এটা সংগঠন সুচাৰুৰূপে পৰিচালিত কৰিব পাৰি। এটা সংগঠনৰ সৃজনশীলতা আৰু উৎপাদনশীলতাক উদগনি যোগোৱাৰ কাৰণে চাকৰিয়াল আৰু কাযনির্ব্বাহৰ মাজত সংহতি আৰু পাৰস্পৰিক বুজাবুজি বজাই ৰখাতো অতিকৈ বাঞ্ছনীয়। সেয়েহে সংগঠনৰ শ্রীবৃদ্ধি আৰু ভাৱমূর্তিৰ ক্রমোন্নতিৰ বাবে চাকৰিয়াল আৰু কার্যনির্বাহৰ মাজত ফলদায়ক আৰু প্রবৃত্তিজনক সংযোগ সেঁতু স্থাপন কৰাতো এক জৰুৰী কার্য হিচাপে গণ্য কৰা হৈছে। এজন চাকৰিয়ালে সংগঠনৰ কৃতকার্যতাৰ খতিয়ান,ক্রমোন্নতি, নতুন সা-সুবিধা তথা এই সা-সুবিধাসমূহৰ পৰা উৎপন্ন হোৱা অনুকূল আৰু প্রতিকূল পৰিণতি লগতে উদ্যোগীকৰণ তথা নতুন আঁচনি আৰু নতুন কাৰবাৰসমূহৰ বিষয়ে সদায়েই জানিব বিচাৰে। সেয়েহে সংগঠনৰ লগত জড়িত সকলো খবৰ সংবাদ তথা তথ্যপাটিৰ ব্যাপ্তি- বিতৰণ কার্যৰ উপৰি কর্ম-সংযোজন প্রক্রিয়া তথা কর্ম-সংস্কৃতিৰ উন্নয়নৰ বাবে জনসম্পর্কত অভ্যন্তৰীণ বিভাগৰ প্রাধান্য অতি গুৰুত্বপূর্ণ।

যিকোনো এটা সংগঠনৰ লগত জড়িত সকলো চাকৰিয়াল বাহ্যিক জনগোষ্ঠীৰ লগত জনসম্পর্কৰক্ষী কার্যবাহী বিষয়া হিচাপেও কার্য সম্পাদন কৰা উচিত। আমি সাধাৰণতে গোচৰ তৰিবলৈ পুলিচ ষ্টেচনলৈ যাব নিবিচাৰো বা কোনো এটা সংগঠনৰ চাকৰিয়ালসকলৰ পৰা পোৱা ব্যৱহাৰৰ কাৰণে আমি চৰকাৰী কার্যালয়লৈ যাবলৈ ইচ্ছা নকৰো। এইটোৱেই হৈছে আমাৰ ৰাজ্যিক শাসনব্যৱস্থাৰ উন্নতিৰ গতি মন্থৰ হোৱাৰ এক গুৰুত্বপূর্ণ কাৰণ। আনহাতে, বহুসংখ্যক সংগঠনতে চাকৰিয়ালসকলে তেওঁলোকৰ সংগঠনত ঘটি থকা কার্যকলাপৰ বিষয়ে একোকে নাজানে। আজিকালি চাকৰিয়ালসকলে সংগঠনৰ কার্যকলাপৰ বিষয়ে আৰু তেওঁলোকৰ দৈনন্দিন কার্যসূচীত ঘটা পৰিৱর্তন আদিৰ লগত জড়িত সকলো তথ্য সংগ্রহ কৰাৰ দিশত যথেষ্ট আগ্রহ প্রকাশ কৰে। অভ্যন্তৰীণ জনগোষ্ঠীৰ জ্ঞাতার্থে জনসম্পর্কৰ কলা-কৌশলসমূহে এই আটাইবোৰ বিষয়কে সাঙুৰি ল'ব লাগিব আৰু ইয়াৰ উপৰিও বিষয় সম্পর্কীয় ঘটনা, পৰিসংখ্যা, কৃতকার্যতাৰ খতিয়ান, সংকটাৱস্থা আদিৰ ওপৰত সকলো সম্ভাব্য তথ্য প্রেৰণ কৰিব লাগিব। এই তথ্যসমূহৰ পৰা তেওঁলোকে এক জন জাগৰণ সৃষ্টি কৰিব পাৰিব আৰু সংগঠনৰ মানদণ্ড আৰু কীর্তি-সুখ্যাতি বজাই ৰাখিব পাৰিব।

১২.৪.২ বাহ্যিক জনগোষ্ঠী

সংগঠনটোৰ লগত পৰোক্ষ ভাৱে জড়িত হৈ থকা জনগোষ্ঠীক বাহ্যিক জনগোষ্ঠী হিচাপে জনা যায়। নাম অনুসৰি এই জনগোষ্ঠীকে সংগঠনৰ পৰিধিৰ বাহিৰত তথা লোকসকলৰ লগত জড়িত হয়। আমি ইতিমধ্যে লক্ষ্য শ্রোতাৰ বিষয়ে আলোচনা কৰিছো। সেয়েহে বাহ্যিক জনগোষ্ঠীয়ে লক্ষ্য শ্রোতাক চামিল কৰাৰ উপৰি আন সকলো লোককে সাঙুৰি লয়। যিসকল সংগঠনৰ লগত পৰোক্ষভাৱে জড়িত আৰু ইয়াৰ শুভ পৰিচালনাত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। চৰকাৰী খণ্ডৰ অর্ন্তগত সংগঠনসমূহত সাধাৰণতে বাহ্যিক জনগোষ্ঠীৰ চাৰিটা গোট থাকে। সেইকেইটা হ'ল—

(ক) গ্রাহক

(খ) চৰকাৰ

(গ) শ্বেয়াৰ হোল্ডাৰ (share holder)

(ঘ) মতামত নির্ধাৰণ কৰোঁতা (opinion leather)

কিন্তু বেচৰকাৰী সংগঠনসমূহৰ পৰিধি চৰকাৰী বা ৰাজহুৱা খণ্ডৰ সংগঠনতকৈ বহুগুণে বহল। এতিয়া আমি এটা সংগঠনৰ বহির্গত বিভাগৰ গোটসমূহৰ বিষয়ে আলোচনা কৰিম।

(ক) গ্ৰাহক

কোনো এটা দ্ৰব্য বা সেৱা কিনোঁতাজনক গ্ৰাহক হিচাপে জনা যায়। এজন গ্ৰাহক বুলি ক'লে আমি যিকোনো লোক বা সংগঠনকে বুজো যিয়ে ব্যৱসায়ী, খুচুৰা বেপাৰী, পাইকাৰী বিক্ৰেতা অথবা সেৱা প্ৰদান ক ৰোঁতাকে ধৰি অন্যান্য প্ৰতিষ্ঠানৰ পৰা দ্ৰব্য বা সেৱা আদি লাভ কৰে। গ্ৰাহক সদায়েই যে এজন লোকেই হ'ব তাৰ কোনো ধৰা বন্ধা নিয়ম নাই। সকলো প্ৰকাৰৰ গ্ৰাহকক এটা সংগঠনৰ বহির্গত বিভাগ হিচাপে গণ্য কৰা হয়। কিন্তু এটা সংগঠনৰ অস্তিত্ব ৰক্ষাৰ অৰ্থে গ্ৰাহক সম্প্ৰদায়ৰ সিদ্ধান্তবোৰ সদায়েই গ্ৰহনীয়।

(খ) শ্বেয়াৰ হোল্ডাৰ

এটা সংগঠনৰ পুঁজি আৰু বিনিয়োগ ন্যাসৰ শ্বেয়াৰ কিনোঁতাজনক শ্বেয়াৰ হোল্ডাৰ বুলি কোৱা হয়। আচলতে এটা বেচৰকাৰী সংগঠনৰ ক্ষেত্ৰত শ্বেয়াৰ হোল্ডাৰজনকে সংগঠনৰ প্ৰকৃত গৰাকী বুলি ক'ব পাৰি। সেইকাৰণে, এটা ব্যক্তিগত খণ্ড ৰ সংগঠনে তেওঁলোকৰ শ্বেয়াৰ হোল্ডাৰসমূহৰ ইচ্ছা-আকাংক্ষাক উপেক্ষা কৰিব নোৱাৰে। ব্যক্তিগত খণ্ডটোৱে এই ধৰণৰ বিত্তীয় কাৰ্যকলাপসমূহৰ ওপৰত গভীৰভাবে আশ্ৰিত হ'ব লাগে আৰু সংগঠনৰ ভবিষ্যতৰ উন্নয়নৰ ক্ষেত্ৰত এইধৰণৰ বাহ্যিক জনগোষ্ঠীৰ কাৰ্যকলাপ অতিকৈ গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হয়।

(গ) মতামত নিৰ্ধাৰণকাৰী

জনমত নিৰ্ধাৰণৰ ক্ষেত্ৰত এক মহত্বপূৰ্ণ ভূমিকা পালন কৰা এজন উচ্চস্তৰৰ লোক বা এটা সংগঠনকে মতামত নিৰ্ধাৰণকাৰী বুলি কোৱা হয়। কোনো এজন ৰাজনীতিজ্ঞ, ধৰ্মীয়, ব্যৱসায়িক অথবা সমাজৰ এজন নেতা, সাংবাদিক অথবা শিক্ষাবিদ মতামত নিৰ্ধাৰণকাৰী হ'ব পাৰে। ডেকা চামৰ অবসৰ বিনোদন, জীৱনশৈলী আৰু গ্ৰাহকী মনোভাৱৰ ওপৰত চিনেমা আৰু ক্ৰিড়াজগতৰ ব্যক্তিসমূহে যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। তেওঁলোকে সংগঠনৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত হৈ থকা লোকসকল তথা গ্ৰাহকসমূহকে ধৰি সৰ্বসাধাৰণ ৰাইজকে প্ৰভাৱান্বিত কৰিব পাৰে। সেয়েহে সাংগঠনিক কাৰ্যনিৰ্বাহৰ কাৰণে তেওঁলোকক জনসম্পৰ্কৰ এক অবিচ্ছেদ্য অংগ হিচাপে গণ্য কৰা হয়।

(ঘ) সাংবাদিক আৰু সংবাদ মাধ্যম

এখন সমাজত সংবাদ মাধ্যমৰ শক্তি আৰু গুৰুত্ব কিমান, সেই কথা আপোনালোকে গণ সংযোগ আৰু সাংবাদিকতাৰ ছাত্ৰ-ছাত্ৰী হিচাপে বাৰুকৈয়ে অনুভৱ কৰিছে।

এনেকুৱা মাধ্যমবোৰে সমাজ-সংস্কাৰৰ উপৰিও সৰ্বসাধাৰণ ৰাইজক নতুন নতুন দিশৰ প্ৰতি অনুপ্ৰাণীত কৰে। সেয়েহে, প্ৰত্যেকটো সংগঠনে সংবাদ মাধ্যমৰ সৈতে সু-সম্পৰ্ক বৰ্তাই ৰাখিবলৈ সদায়েই যত্নপৰ হৈ থাকে। সৰ্বসাধাৰণ ৰাইজৰ সন্মুখত সংগঠনটোৰ এটা উজ্জ্বল ভাৰমূৰ্তিৰ প্ৰদৰ্শনৰ কাৰণে সংবাদ মাধ্যমে সহায় সহযোগিতা প্ৰদান কৰিব পাৰে।

(ঙ) সমাজ সম্প্ৰদায় (Community)

'ৱিকিপেডিয়া এনচাক্লপেডিয়া' ই 'সম্প্ৰদায়' শব্দটো জীৱৱিজ্ঞানৰ জগতৰ লগত জড়িত থাকে বুলি কয়। যিকোনো এটা বাতাবৰণত অংশগ্ৰহণ কৰি মিলামিচাকৈ থকা জীৱগোট এটাকে 'সম্প্ৰদায়' বুলি কোৱা হয়। 'সম্প্ৰদায়'ৰ ইংৰাজী প্ৰতিশব্দ 'কমিউনীতি'ৰ উৎপত্তি লেটিন শব্দ ' কমিওনীতি (অৰ্থাৎ একেই) যিটোৰ ব্যুৎপত্তি 'কমিউনাচ'ৰ পৰা হৈছে। যাৰ অৰ্থ হ'ল 'সাধাৰণ, ৰাজহুৱা অথবা বহুকেইজনৰ মাজত ভাগ হোৱা। যিকোনো এটা মানৱ সম্প্ৰদায়ত, অংশগ্ৰহণকাৰীসকলৰ পৰিচয় তথা তেওঁলোকৰ সংহত বান্ধোনৰ মাত্ৰা নিৰ্ণয় ক ৰিব পৰাকৈ অভিপ্ৰায়, বিশ্বাস, সম্পদ, পছন্দ, প্ৰয়োজন, ক্ষতিৰ সম্ভাৱনা আৰু এনেকুৱা কেইবাটাও চৰ্ত বিদ্যমান আৰু গতানুগতিক হ'ব পাৰে। ৰীতি অনুসৰি সমাজতত্ত্বত, এটা সমূহীয়া অৱস্থানত ভাব বিনিময়ৰ যোগেদি বসতি কৰা এটা জনগোটকে 'সম্প্ৰদায়' হিচাপে ব্যাখ্যা কৰা হয়। সেয়েহে এটা সংগঠনৰ সুচল পৰিচালনাৰ বাবে আমাৰ চৌপাশে থকা সম্প্ৰদায়টো অতিকৈ জৰুৰী বুলি গণ্য কৰা হয়।

(চ) চৰকাৰ

চৰকাৰ হৈছে "সেইটো সংগঠন যিটো এটা ৰাজনৈতিক গোটৰ প্ৰশাসনীত কৰ্তৃপক্ষ" "এটা ৰাজনৈতিক সম্প্ৰদায়ৰ শাসকীয় শক্তি" আৰু সেই আহিলা যাৰ মাধ্যমেদি এটা প্ৰশাসনীক গোটে কাম কৰে আৰু কৰ্তৃত্ব খটুৱায়" জনসাধাৰণৰ সমাজ পাতি বাস কৰাৰ মানসিকতাৰ বাবেই চৰকাৰ গঠনৰ প্ৰয়োজনীয়তা পৰিসংখ্যা বিজ্ঞানীসকলৰ মতে আহি পৰে। তথাপিতো এই সমাজসমূহত ব্যক্তিগত স্বশাসনক বাধ্যতামূলক কৰা উচিত। আমাৰ দেশৰ শাসনব্যৱস্থা তিনিখলপীয়া। আটাইতকৈ ওপৰৰ খলপত কেন্দ্ৰীয় চৰকাৰ, মাজৰ খলপত ৰাজ্যিক চৰকাৰসমূহ আৰু তলৰ খলপত স্থানীয় স্বায়ত্ত প্ৰশাসন। সাধাৰণতে এটা সংগঠনে কেন্দ্ৰীয় চৰকাৰ আৰু নিজ নিজ ৰাজ্যিক চৰকাৰৰ লগত সু-সম্পৰ্ক ৰক্ষা কৰি চলে। সেয়েহে, চৰকাৰী লোকসকলক সংগঠনৰ বাহ্যিক জনগোষ্ঠীৰ এটা অংশ হিচাপে গণ্য কৰা হয়।

(ছ) বিত্তীয় সম্পর্কসমূহ

বিত্তীয় কার্যনির্বাহত এটা প্রতিষ্ঠানৰ প্রধান লক্ষ্য গোট হিচাপে শ্বেয়াৰ হোল্ডাৰ আৰু সম্ভাব্য বিনিয়োগকাৰীকে ধৰি লোৱা হয়। তেওঁলোকক তথ্য পাটি প্রদান কৰিব লাগে। ৰাজহুৱা আৰু বিত্তীয় প্রতিষ্ঠানসমূহৰ পৰা বিত্তীয় সহায়-সহযোগ লাভ কৰাৰ অর্থে জনসম্পর্কৰক্ষী গোটটোৱে সংগঠনৰ ভাৱমূর্তি বর্তাই ৰাখে আৰু উন্নত কৰে যাতে ৰাজহুৱা আৰু বিত্তীয় প্রতিষ্ঠানসমূহৰ পৰা ই আর্থিক সাহার্য লাভ কৰে।

(জ) নাগৰিক আচৰণ গোট (cityzen action)

নাগৰিকসকলৰ লগত লেনদেন কৰোঁতে এটা সংগঠনে গণতান্ত্রিক ধাৰণা অৱলম্বন কৰিব পাৰে। সমাজৰ বিভিন্ন জনগোটসমূহৰ লগত উন্নতমানৰ বুজাপৰা আৰু মিলামিচাৰ বিকাশৰ অর্থে এটা সংগঠনৰ কার্যনির্বাহে বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু অন্যান্য কার্যকলাপ-সমূহত অংশগ্রহণ কৰাটো উচিত।

(ঝ) সাধাৰণ ৰাজহুৱা সমাজ

আমি ইতিমধ্যে আলোচনা কৰিছো যে কিছুমান সমূহীয়া বান্ধোন বা স্বার্থ সিদ্ধিৰ অর্থে শিথিলভাবে হ'লেও সংগঠিত হোৱা যিকোনো এটা জনগোটকে জনগোষ্ঠী হিচাপে জনা যায়। কিন্তু এই পৰিপ্রেক্ষিতত আমি সংগঠনৰ পৰিধিৰ সমীপৱর্তী সমাজৰ লোক-সকলক অন্তর্ভুক্ত কৰিব পাৰো। সাধাৰণ ৰাইজৰ বাবে সংগঠনৰ ভাৱমূর্তিয়ে অতিকৈ গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে।

ব্যৱসায় আৰু বাণিজ্যৰ ব্যাপক উন্নয়নৰ লগতে সংগঠনে বাহ্যিক জনগোষ্ঠীৰ সৈতে অতিকৈ ভাল জন সম্পর্ক অব্যাহত ৰখাটো বাঞ্চনীয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩। জনগোষ্ঠী মানে কি বুজে?

.....

.....

.....

প্রশ্ন নং ৪। এটা সংগঠনৰ লগত জড়িত বিভিন্ন ধৰণৰ জনগোষ্ঠীসমূহৰ নাম উল্লেখ কৰক।

.....

.....

.....

প্রশ্ন নং ৫। চাকৰিয়ালসকল অভ্যন্তৰীণ জনগোষ্ঠীৰ অন্তর্ভুক্ত বুলি আপুনি ভাবেনে?

.....

.....

.....

প্রশ্ন নং ৬। এটা চৰকাৰী খণ্ডৰ অন্তর্গত সংগঠনৰ বাহ্যিক জনগোষ্ঠী বুলিলে কাক বুজোৱা হয়?

.....

.....

.....



চিন্তা চর্চা কৰক

আপোনাৰ স্থানীয় অঞ্চলৰ এটা বেংকত সম্পন্ন হোৱা কার্যকলাপসমূহ নিৰীক্ষণ কৰিব আৰু সেই বেংকৰ অভ্যন্তৰীণ আৰু বাহ্যিক জনগোষ্ঠীৰ এখন তালিকা প্রস্তুত কৰক।

১২.৫ জনসম্পর্কৰ প্রচাৰ মাধ্যম

সংগঠনৰ ভাৱমূর্তি গঢ়াৰ কাৰণে প্রচাৰে সাংগঠনিক কার্যকৰণৰ প্রতিফলন ঘটোৱাৰ উপৰি ৰাজহুৱা স্বীকৃতি আৰু মর্যাদা লাভ কৰিব লাগিব। নতুন যুগৰ কেইবাটাও সংগঠনে প্রচাৰণৰ যোগেদি তেওঁলোকৰ ধাৰণা, মূলমন্ত্র তথা উৎপাদিত সামগ্রীসমূহৰ বিস্তাৰ ঘটাব পাৰে। কোনো এটা খবৰে জনসম্পর্কৰ পৰা জন্ম লাভ কৰে আৰু বিভিন্ন প্রচাৰ মাধ্যমৰ যোগেদি সম্প্রচাৰিত হয় আৰু এই প্রকাৰে ৰাইজৰ মাজলৈ আহে। সেয়েহে প্রচাৰ কার্য জনসম্পর্কৰ এটা অত্যাৱশ্যকীয় কার্য হৈ পৰিছে। জনসম্পর্কৰ কার্য বিষয়াজনে বাতৰিসমূহৰ তথ্য প্রদান কৰে। কিন্তু প্রচাৰ মাধ্যমৰ সিদ্ধান্ত গ্রহণকাৰীসকলে এই তথ্যসমূহৰ ব্যৱহাৰ কৰিব বা নকৰিবও পাৰে। কাট লিপে প্রচাৰ কার্যক প্রচাৰ মাধ্যমৰ দ্বাৰা ব্যৱহৃত হোৱা বাহিৰৰ পৰা অহা বাতৰিযুক্ত তথ্য বুলি ব্যাখ্যা কৰিছে। তেওঁৰ মতে প্রচাৰ কার্য প্রচাৰ মাধ্যমত তথ্য স্থাপন কৰাৰ এক অদমনীয় প্রক্রিয়া। জনসাধাৰণৰ দৃষ্টিত ভাল প্রদর্শন দেখুওৱাৰ পৰাই ভাল জনসম্পর্ক সৃষ্টি হয়। যি জনসম্পর্কই ভাল প্রদর্শন নকৰে সি বিশ্বাসযোগ্যতা নোহোৱা কৰিব পাৰে ।লক্ষ্য শ্রোতাৰ অনুমোদন লাভ কৰি তেওঁলোকৰ

মনোযোগ আকর্ষণ কৰাৰ উপৰিও স্বীকৃতি লাভ তথা ভাৱমূর্তি গঢ়ি তোলাৰ কাৰণে এটা সংগঠনৰ তথ্যসমূহৰ ব্যাপ্তিকৰণৰ সৈতে জড়িত হৈ থকা সংযোগ প্রক্রিয়াৰ এক প্রধান সঁজুলি হ'ল জনসম্পর্ক।

জনসম্পর্কৰক্ষী বিভাগ এটাই প্রচাৰণৰ বিভিন্ন মাধ্যমৰ ব্যৱহাৰ কৰিব পাৰে যেনে মুদ্রণ মাধ্যম, বৈদ্যুতিক মাধ্যম আৰু অন্য বহুতো। এতিয়া আমি জনসম্পর্কৰক্ষী বিভাগ এটাই সচৰাচৰ ব্যৱহাৰ কৰা কেইটামান গুৰুত্বপূর্ণ মাধ্যমৰ কথা আলোচনা কৰোঁহক।

১২.৫.১ ছপা মাধ্যম

ছপা আকাৰৰ পৰিসৰৰ ভিতৰৰ পৰা বাতৰিকাকত,আলোচনী, সৰু পুস্তিকা, সৰু প্রবন্ধ পুস্তিকা আৰু অন্য সকলো বস্তু ছপা মাধ্যমৰ অন্তর্ভুক্ত হয়। ছপা-মাধ্যমক পৃথিৱীৰ আটাইতকৈ জনপ্রিয় প্রচাৰ মাধ্যম বুলি জনা যায়। আজিকালিৰ ডিজিটেল যুগৰ প্রতিযোগিতামুখী পৰিবেশতো নিজৰ কিছুমান সুকীয়া বৈশিষ্ট্যৰ কাৰণে ছপা মাধ্যম আটাইতকৈ জনপ্রিয় প্রচাৰ মাধ্যম হিচাপে নিজৰ স্থান অক্ষুণ্ণ ৰাখিছে।

১৯৫৬ চনত, ৯ নিযুত মুদ্রিত ক'পিৰ প্রচলন হাৰ অনুসৰি মাত্র ৬,৫০০খন বাতৰিকাকত, আৰু আলোচনী । ১৯৯০ দশকলৈ আলোচনী আৰু বাতৰিকাকতৰ সংখ্যা ৩০,০০০ হাজাৰলৈ আৰু প্রচলনৰ হাৰ ১২৭ নিযুতলৈ বৃদ্ধি পায়। এই সংখ্যা ২০০০ চনলৈ ১৪ কোটিৰ সীমা স্পর্শ কৰে। যাৰ ফলস্বৰূপে আমাৰ দেশ চীনদেশৰ পিছতে দ্বিতীয় স্থানত উপনীত হয়। চীনদেশে ৬২০০০ৰৰো অধিক বাতৰিকাকত আৰু আলোচনীৰ প্রচলনৰে প্রথম স্থান অধিকাৰ কৰি আছে। আন্তৰাষ্ট্রীয় বাতৰি কাকত প্রতিষ্ঠানে (WAN)এই কথা প্রকাশ কৰিছে যে যোৱা দশকটোত ভাৰতৰ ছপা মাধ্যমৰ প্রচলনৰ হাৰ ২৩ শতাংশলৈ বৃদ্ধি পাইছে।

১২.৫.২ দূৰদর্শন (টেলিভিছন)

টেলিভিছন, ৰেডিঅ', চিনেমা ইত্যাদি হ'ল কিছুমান বৈদ্যুতিক মাধ্যমৰ উদাহৰণ। টেলিভিছনে ইতিমধ্যে বজাৰত ৰাজত্ব বিস্তাৰ কৰাৰ উপৰিও বিভিন্ন জনগোটৰো দৃষ্টি আকর্ষণ কৰিছে। সংগঠনসমূহে তেওঁলোকৰ সামগ্রীৰ প্রচাৰৰ বাবে সদায়েই টেলিভিছনক উত্তম মাধ্যম হিচাপে গণ্য কৰি আহিছে।

১৮৮৪ চনত জার্মান বৈজ্ঞানিক পল. জি. নিপ্কনে (Paul G Nipkon) টেলিগ্রাফৰ দ্বাৰা লঘু দূৰত্বলৈ চিত্র প্রেৰণ কৰাৰ ঐতিহাসিক প্রচেষ্টাৰ পৰা ১৯২৫ চনত আইৰিছ বৈজ্ঞানিক জন ল'গি বায়ার্ডৰ (John Logie Bayard) দ্বাৰা টেলিভিছনৰ আবিস্কাৰৰ মুহূর্তলৈ বহুকেইজন বৈজ্ঞানিকে সর্বসাধাৰণ ৰাইজৰ হিতার্থে উপহাৰ উৎসর্গা কৰাৰ প্রচেষ্টাত লিপ্ত হৈ আছিলে যদিও ১৯৩৬ চনত বৃটিছ ব্রড্কাষ্টিং কর্পৰেচনে (BBC) সম্প্রচাৰণ আৰম্ভ কৰে। ভাৰতত টেলিভিছনৰ আবির্ভাৰ যথেষ্ট

পলমকৈ হয়। ১৯৫৯ চনৰ ১৫ চেপ্তেম্বৰৰ দিনা সংবাদ আৰু সম্প্রচাৰণ মন্ত্রণালয়ৰ দ্বাৰা পৰিচালিত এটা তুলনামূলকভাৱে কম শক্তিশালী ট্রান্সমিটাৰে ২১ টেলি ক্লাবক 'সদৌ ভাৰত অনাঁতাৰ কেন্দ্ৰ' (AIR)ৰ ছিগ্নেল ৰিচিভাৰ উপহাৰস্বৰূপে প্রদান কৰি ভাৰতত টেলিভিছন যুগৰ সূচনা কৰে। আৰম্ভণিতে দিল্লী কেন্দ্রই প্রত্যেক শনিবাৰ আৰু দেওবাৰে এঘণ্টাৰ অনুষ্ঠান সম্প্রচাৰণ কৰিছিলে। এসপ্তাহত এই দুই ঘণ্টাই সম্প্রচাৰণ সময় আছিল। কিন্তু আজিকালি এশৰো অধিক চৰকাৰী আৰু ব্যক্তিগত টেলিভিছন চেনেলে গোটেই বছৰ ২৪ ঘণ্টা জুৰি অনুষ্ঠানৰ সম্প্রচাৰ চলায়। ১৯৭৫ চনত ভাৰতৰ ২৪০০খন গাঁৱত 'দ্য চেটেলাইট ইমষ্ট্রকশ্বনেল টেসিভিচন এস্কপেৰিমেণ্ট' (SITE)ৰ আৰম্ভ হয়। ১৯৮৪ চনৰ ১৫ আগষ্টত UGC য়ে শিক্ষামূলক অনুষ্ঠান আৰম্ভ কৰে। ১৯৮৯ চনত টেলিভিছনৰ অনুষ্ঠানৰ মানদণ্ড উচ্চ পর্যায়লৈ নিয়াৰ বাবে কেন্দ্রীয় (CPC) স্থাপন কৰা হয়। এবছৰৰ পিছত 'দূৰদর্শনৰ মেট্রো চেনেল' আৰম্ভ কৰে। কিন্তু 'ডি ডি মেট্রো'ৰ সম্প্রচাৰণ কিছু বছৰৰ পাছত বন্ধ হৈ যায় আৰু তাৰ ঠাইত এটাৰ পিছত এটাকৈ ১৫টা আঞ্চলিক চেনেলৰ সূত্রপাত হয়। কেব'ল টেলিভিছনৰ আগমনৰ লগে লগে কেইবাটাও ব্যক্তিগত টেলিভিছন চেনেল আৰম্ভ হয়।

এতিয়া আমি ক'ব পাৰোঁ যে টেলিভিছন সংযোগ ব্যৱস্থাৰ আটাইতকৈ কার্যকৰী মাধ্যম আৰু এই বৈদ্যুতিক মাধ্যমৰ খৰকতীয়া বিস্তাৰৰ ফলস্বৰূপে গোটেই পৃথিৱীখন এটা চাৰি-কোণীয়া বাকচৰ ভিতৰতে সোমাই পৰিছে আৰু এতিয়া ১৫০টাতকৈয়ো অধিক চেনেল আমি দেখিবলৈ পাওঁ। প্রচাৰ মাধ্যম হিচাপে টেলিভিছনৰ শক্তি আৰু পৰিধি বৃহৎ মানৰ, যাৰ ফলস্বৰূপে মুদ্রিত শব্দ, কথিত শব্দ, অন্যান্য প্রাকৃতিক আৰু কৃত্রিম শব্দ, চলন্ত চিত্রপট, ৰঙীন দৃশ্য আৰু এনিমেশ্বন আদি একেটা মাধ্যমৰ যোগেদিয়েই সম্প্রচাৰণ কৰা হয়।

কেব'ল টেলিভিছনৰ আগমনৰ পাছত ব্যক্তিগত তথা চৰকাৰী সম্প্রচাৰণ প্রতিষ্ঠানসমূহ উভয়েই অনুষ্ঠান উন্নত কৰাৰ লগতে সর্বসাধাৰণ ৰাইজৰ দৃষ্টি আকর্ষণ কৰাৰ কাৰণে পৰিৱেশনশৈলীক উন্নত কৰিবলৈ নতুন পদ্ধতি অৱলম্বন কৰিবলৈ চেষ্টা কৰে। ডিজিটেল ছবি আৰু ষ্টেৰিওফোনিক ধ্বনি প্রদান কৰিবলৈ ডিজিটেল ভিডিও সম্প্রচাৰণ, কণ্ডিচনেল একচেছ্ চিষ্টেম, ইণ্টাৰনেট প্রটক'ল টেলিভিছনৰ দৰে নবাগত প্রকৰণসমূহেৰে বজাৰ ভৰি পৰিছে। আজিকালি বহুতসংখ্যক সংগঠনে উত্তম প্রচাৰ মাধ্যম হিচাপে টেলিভিছনকে মনোনীত কৰে, যদিহে তেওঁলোকৰ বাজেটে অনুমতি দিয়ে।

১২.৫.৩ অনাতাঁৰ (Radio)

গ্রাম্যাঞ্চলসমূহত ৰেডিঅ' এক জনপ্রিয় প্রচাৰ-মাধ্যম। ভাৰতৰ ৮০ শতাংশৰো অধিক অঞ্চল গাঁও আৰু এনেধৰণৰ বহুতো গাঁও আছে য'ত বহুতসংখ্যক লোকে লিখিব-

পঢ়িব নাজানে তথা বৈদ্যুতিক সা-সুবিধাৰ পৰাও বঞ্চিত হয়। এইসকল নিৰক্ষৰ লোকে বাতৰি-কাকত পঢ়িবলৈ সক্ষম নহয় আৰু সেয়েহে বিভিন্ন খা-খবৰ প্রদান কৰিবলৈ ৰেডিঅ' হৈছে আটাইতকৈ উৎকৃষ্ট মাধ্যম যাৰ যোগেদিয়ে গাঁওবাসী লোকসকলে আধুনিক বিকশিত পৃথিৱীৰ লগত পৰিচিত হয়। ৰেডিঅ' এক কম খৰচী আৰু সহজলভ্য যন্ত্র আৰু সেইকাৰণে গাঁওবাসী ৰাইজৰ সামর্থৰ অধীন।

১৯২০ দশকত ভাৰতত কিছুমান ব্যক্তিগত লঘু দূৰত্বৰ সম্প্রচাৰণ কেন্দ্রৰ দ্বাৰা ৰেডিঅ' সেৱা আৰম্ভ কৰা হয় আৰু ১৯২৭ চনত চৰকাৰে 'ভাৰতীয় সম্প্রচাৰণ প্রতিষ্ঠান (IBC) আৰম্ভ কৰে। এই প্রতিষ্ঠানকে পিছত আকাশবাণী আৰু 'অল ইণ্ডিয়া ৰেডিঅ' (AIR) হিচাপে নামকৰণ কৰা হয় আৰু ই প্রচুৰ জনপ্রিয়তা লাভ কৰিবলৈ সক্ষম হয়। ১৯৪৭ চনতে যেতিয়া ভাৰতে বিদেশী শাসনৰ পৰা মুক্ত হয়, তেতিয়া সমগ্র দেশতে মাথো ছয়টা অনাঁতাৰ কেন্দ্র আছিল। এতিয়া দেশৰ দুৰস্থ ঠাইবোৰলৈ সংবাদ কঢ়িয়াই নিবলৈ ২০০টাৰো অধিক স্বনির্ভৰ (AIR)কেন্দ্র আছে।

কেইবাটাও বিদেশী ভাষাকে ধৰি ১৪৬টা ভাষা আৰু উপভাষাত অনুষ্ঠান সম্প্রচাৰণ কৰা AIRএ প্রথমৰ পৰাই অতি প্রশংসনীয় ভাবে কার্য সমাপন কৰি আহিছে। ১৯৯০ৰ দশকৰ প্রাৰম্ভৰ পৰা ব্যক্তিগত FM চেনেলসমূহকো সম্প্রচাৰণ কৰিবলৈ অনুমতি প্রদান কৰা হৈছে।

দূৰত্ব শিক্ষা মাধ্যমৰ জৰিয়তে দেশৰ দূৰৈৰ আৰু বিদেশৰ ঠাইসমূহত বসবাস কৰা লোকসকলৰ মাজত গতানুগতিক শিক্ষা প্রদানৰ দিশত নিয়োজিত 'ইন্দিৰা গান্ধী ৰাষ্ট্রীয় মক্ত বিশ্ববিদ্যালয়ে' (IGNOU) শিক্ষামূলক উদ্দেশ্যসমূহৰ বাবে ৰেডিঅ'ৰ ব্যৱহাৰ ঘটোৱাৰ ক্ষেত্রত অগ্রগণী হিচাপে চিহ্নিত হৈছে।

কিছুদিনৰ আগতে দেশৰ বিভিন্ন প্রান্তত IGNOU আন্না বিশ্ববিদ্যালয়ৰ দৰে শিক্ষামূলক প্রতিষ্ঠানে আৰু অন্যান্য বেচৰকাৰী সংগঠনে কেইবাটাও আঞ্চলিক অনাতাঁৰ কেন্দ্রৰ স্থাপন কৰিছে। গ্রাম্যাঞ্চলৰ উপৰি অঞ্চলসমূহতো FM ৰেডিঅ' সংস্কৃতি আৰু আঞ্চলিক অনাঁতাৰ সেৱাৰ যোগেদি ৰেডিঅ' এক শক্তিশালী প্রচাৰ মাধ্যম হিচাপে জনাজাত হৈছে।

সেয়েহে ৰেডিঅ' প্রচাৰণ প্রক্রিয়াৰ আটাইতকৈ উপকাৰী মাধ্যম।

১২.৫.৪ বোলছবি

এখন ৰূপালী পর্দাৰ ওপৰত দ্রুতগতিৰে প্রতিফলিত হোৱা স্থিৰ ছবিসমূহৰ ক্রম-প্রণালীক চিনেমা বা চলচ্চি ত্র বুলি কোৱা হয়। চলচিত্রসমূহৰ চিত্রায়ণ এক বিশেষধৰণৰ কেমেৰাৰ যোগেদি সমাপণ কৰা হয়, যিয়ে চলন্তাৱস্থাত থকা লোক বা বস্তুবোৰৰ দ্রুতগতিৰে প্রদর্শন সম্ভৱ কৰে। চলচিত্রসমূহৰ সম্পূর্ণ প্রদর্শন চিনেমা প্রজেক্তৰৰ দ্বাৰা

কৰা হয়, যিয়ে চিত্রসমূহৰ লগত হোৱা ধ্বনিৰ সংঘটনক পুনৰাই নকৈ উদ্ভৱ কৰে। এটা গুৰুত্বপূর্ণ আর্ট ফর্মৰ উপৰি জনপ্রিয় আমোদীকৰণৰ এটা স্রোত আৰু নাগৰিকসমূহক শিক্ষিত আৰু মতাধীন (indortrinating) কৰাৰ এক শক্তিশালী মাধ্যম হিচাপে চিনেমাক পৰিগণিত কৰা হয়। চিনেমাৰ দৃষ্টি-বিশেষ উপাদানসমূহে চলচিত্রক সংযোগ প্রক্রিয়াৰ এক সৌৰমণ্ডলীয় শক্তিৰ ৰূপত চিহ্নিত কৰে।

আমেৰিকাৰ টমাছ আলভা এডিছন (Thomas Alva Edison)আৰু ফ্রান্সৰ লুমিয়েৰ (Lumiere) ভ্রাতৃদ্বয় চলচিত্র যন্ত্রৰ প্রধান আৱিস্কাৰক। ১৮৯৫ চনৰ পৰা বিংশ শতাব্দীৰ প্রাৰম্ভতে ফিল্ম প্রযোজনা ফ্রান্স দেশত কেন্দ্রীত হ'লেও ১৯২০ চনৰ পৰা আমেৰিকাই এইক্ষেত্রত প্রভুত্ব বিস্তাৰ কৰিবলৈ আৰম্ভ কৰে। ভাৰতৰ চিনেমাজগতৰ লগত আপোনালোকক নতুনকৈ পৰিচয় কৰি দিয়াৰ কোনো প্রয়োজন নাই। প্রতি বছৰে আমাৰ দেশত গড় পৰিমাণে ৮০০খন বোলছবিৰ প্রয়োজনা হয়। আন্তঃৰাষ্ট্রীয় মানদণ্ড অনুসৰিও আমাৰ চিনেমা জগতখন উৎকৃষ্টমানৰ। দেশখনৰ ভিতৰতে মুম্বাই আটাইতকৈ উচ্চপর্যায়ৰ বোলছবি প্রযোজনা কেন্দ্র। হ'লেও, আমাৰ দেশৰ আঞ্চলিক চিনেমা জগতখনো কম বাৰেবৰনীয়া নহয়। স্বাধীনতাৰ সময়ৰে পৰা ভাৰতীয় বোলছবিসমূহত খেল, বৈজ্ঞানিক গল্প, হিংসা, অন্ধকাৰ জগত, শিশু তথা নাৰীৰ লগত জড়িত বিষয়সমূহকে ধৰি অন্যান্য বহুতো সম্ভাব্য বিষয়-প্রসংগৰ লগত হোৱা লেনদেন অভাৱনীয় বৃদ্ধি দেখা গৈছে। সামাজিক নাটক আৰু কলাত্মক কথাছবিৰ দৰেও অনেক বোলছবিৰ প্রযোজনা হৈছে।

এইটো কোৱা নিস্প্রয়োজন যে বোলছবি আটাইতকৈ মনোমোহা আৰু কার্যকৰী সংযোগ মাধ্যমসমূহৰ ভিতৰত অন্যতম আৰু জনসম্পর্ক ৰক্ষাৰ ক্ষেত্রত প্রচাৰণ প্রক্রিয়াৰ আটাইতকৈ সফল সঁজুলি হিচাপে গণ্য কৰা হয়।

১২.৫.৫ নতুন মাধ্যম

সংবাদ প্রেৰণৰ ক্ষেত্রত ভুমুকি মৰা নতুন মাধ্যমসমূহ নবাগত প্রযুক্তিৰ স্বৰূপ। ডিজিটেল জগতৰ এই নতুন সংযোগ- মাধ্যমসমূহে চি.ডি. ৰোম'ত বৈদ্যুতিক প্রকাশন-কার্য, ডি.ভি.ডি, ডিজিটেল টেলিভিছন আৰু আটাইতকৈ গুৰুত্বপূর্ণ মাধ্যম হিচাপে ইণ্টানেট আদি সাঙুৰি লয়। ই আকৌ ডেস্কট'প আৰু পোর্টেবল কম্পিউটাৰৰ উপৰি অনাঁতাৰ মাধ্যমৰ ব্যৱহাৰৰ পিনেও ইঙ্গিত দিয়ে।

ডিজিটেল জগত সংযোগ-প্রক্রিয়াৰ এই নতুন ব্যৱস্থাবোৰে সৰু সৰু জনগোটবোৰক ইণ্টাৰনেটৰ যোগেদি সন্মিলিত হোৱাৰ উপৰি তথ্য আৰু সামগ্রী আদিৰ বেহা-বেপাৰবোৰ সুবিধা প্রদান কৰে। এইবোৰে আকৌ লোকসকলক তেওঁলোকৰ সমাজত তথা সমগ্র পৃথিৱীৰ সন্মুখত নিজৰ নিজৰ মত প্রকাশ কৰিবলৈ সুবিধা দিয়ে। এইখিনিতে আমি প্রচাৰ প্রক্রিয়াৰ নবাগত মাধ্যমসমূহৰ উপযোগিতা অনুভৱ কৰিব পাৰো। যেনে—

এজন জনসম্পর্কৰক্ষী বিষয়াই এখন সংবাদ মেলৰ আয়োজন কৰিছে। তেওঁ সকলো অতিথিকে ই-মেইলৰ যোগেদি আমন্ত্রণ জনাব পাৰে। তেওঁ অতিথিসকলৰ পৰা সংবাদমেলত অংশগ্রহণ কৰাৰ প্রতিশ্রুতি ততালিকে পাই যাব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭। প্রচাৰ প্রক্রিয়া মানে কি বুজে?

.....

.....

.....

প্রশ্ন নং ৮। প্রচাৰ মাধ্যম মানে কি বুজে?

.....

.....

.....

প্রশ্ন নং ৯। WAN বুলিলে কি বুজা যায়?

.....

.....

.....

প্রশ্ন নং ১০। টেলিভিছন কোনো আৰিস্কাৰ কৰিছিল?

.....

.....

.....

প্রশ্ন নং ১১। প্রচাৰ প্রক্রিয়াৰ বাবে নতুন মাধ্যমসমূহ উপযোগী বুলি আপুনি ভাবেনে?

.....

.....

.....

চিন্তা চর্চা কৰক



আপোনাৰ পছন্দ অনুসৰি কোনো এটা সামগ্রী বা সেৱা বাছি উলিয়াওক আৰু সংগঠনে সেই সামগ্রীটোৰ উচিত প্রচাৰৰ কাৰণে কি মাধ্যম ব্যৱহাৰ কৰিছে, তাৰে এটা পৰীক্ষা চলাওঁক।



১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

গণ সংযোগত বিজ্ঞাপন আৰু অনুষ্ঠানসমূহৰ নিক্ষেপণ কৰিবলৈ এক বৃহৎ জনগোটৰ পৰা বাছি উলিওৱা এটা খণ্ডকে লক্ষ্য শ্রোতা বুলি কোৱা হয়।

কিছুমান সমূহীয়া ইচ্ছা বা স্বার্থৰ বান্ধোনত শিথিলভাৱে হ'লেও আৱদ্ধ হোৱা যিকোনো জনগোটকে 'পাব্লিক' অথবা ৰাইজ বুলি কোৱা হয়। গণসংযোগৰ পৰম্পৰাগত প্রচলন অনুসৰি 'পাব্লিকছ'ক দুটা ভাগত বিভক্ত কৰিব পাৰি— অভ্যন্তৰীণ জনগোষ্ঠী আৰু বাহ্যিক জনগোষ্ঠী। অভ্যন্তৰীণ জনগোষ্ঠী সংগঠনৰ লগত প্রত্যক্ষভাৱে সম্বন্ধযুক্ত বা জড়িত হৈ থাকে। এইবোৰ এনেধৰণৰ বিভাগ যাৰ লগত সংগঠন এটা ঘনিষ্ঠভাৱে জড়িত হৈ থাকে— যিয়ে সংগঠনৰ অস্তিত্বৰ ভাগ গ্রহণ কৰে; যেনে— প্রশাসন, কার্যনির্বাহ, চাকৰিয়াল বর্গ, ব্যৱসায়ী, বাণিজ্যিক বিষয়া আদি। বাহ্যিক জনগোষ্ঠী সংগঠনৰ লগত পৰোক্ষভাৱে জড়িত হৈ থাকে।

এটা সংগঠনৰ প্রচাৰ কার্যৰ বাবে আমি ছপা মাধ্যম, ৰেডিঅ', টেলিভিছন, চিনেমা আৰু নতুন মাধ্যমসমূহৰ ব্যৱহাৰ কৰিব পাৰোঁ।



১২.৭ অধিক জানিবলৈ


ইংৰাজী গ্রন্থ ঃ

1) Public Relations : H.F. Moore and F.B. Kalupa, Publisher Surjeet Publication, Delhi.

2) Practical Public Relations: Sam Black, Publisheï Universal Book Stall, Delhi.

অসমীয়া গ্রন্থ ঃ

১) জনসম্পর্ক— অংকুৰণ দত্ত আৰু অনামিকা ৰায়, বীণা লাইব্রেৰী, গুৱাহাটী



১২.৮ অগ্রগতিৰ খতিয়ান

১। নং প্রশ্নৰ উত্তৰঃ দর্শক-শ্রোতাৰ যিটো অংশক চিনাক্ত কৰি তেওঁলোকক উদ্দেশ্য কৰি গণ সংযোগৰ বার্তা আৰু কার্যসূচী প্রস্তুত কৰা হয়, তেওঁলোককে লক্ষ্য শ্রোতা হিচাপে জনা যায়।
২। নং প্রশ্নৰ উত্তৰঃ (ক) গ্রাহক, (খ) যোগান ধৰোঁতা, (গ) মতামত নির্ধাৰণ কৰোঁতা, (ঘ) চাকৰিয়াল, (ঙ) সাংবাদিক।

৩। নং প্ৰশ্নৰ উত্তৰঃ কিছুমান সমূহীয়া বান্ধোন বা সিদ্ধিৰ অৰ্থে শিথিলভাৱে হ'লেও সমগঠিত হোৱা কোনো এটা জনগোটকে জনগোষ্ঠী হিচাপে জনা যায়।

৪। নং প্ৰশ্নৰ উত্তৰঃ অভ্যন্তৰীণ জনগোষ্ঠী আৰু বাহ্যিক জনগোষ্ঠী।

৫। নং প্ৰশ্নৰ উত্তৰঃ হয়। কাৰণ তেওঁলোক সংগঠনটোৰ বিভিন্ন কার্যাৱলীৰ লগত প্ৰত্যক্ষভাবে জড়িত হৈ থাকে।

৬। নং প্ৰশ্নৰ উত্তৰঃ (ক) গ্ৰাহক, (খ) চৰকাৰ, (গ) শ্বেয়াৰ হোল্ডাৰ, (ঘ) মতামত নির্ধাৰণ কৰোঁতা

৭। নং প্ৰশ্নৰ উত্তৰঃ কোনো এটা কোম্পানী বা সামগ্ৰীক এটা খবৰৰ অন্তর্ভুক্ত কৰাৰ বাবে এজন সাংবাদিকলৈ প্ৰস্তাৱ আগবঢ়োৱাৰ সাধাৰণ কার্যটোক প্ৰচাৰ প্ৰক্ৰিয়া বুলি কোৱা হয়। আমি এইটোও ক'ব পাৰো যে সর্বসাধাৰণ ৰাইজৰ দৰে এটা বৃহৎ জনগোটৰ ওচৰ চপাৰ বাবে প্ৰচাৰ মাধ্যমলৈ তথ্য প্ৰেৰণ কৰা জনসম্পর্কৰ কায়দাটোক প্ৰচাৰ প্ৰক্ৰিয়া বুলি কোৱা হয়।

৮। নং প্ৰশ্নৰ উত্তৰঃ প্ৰচাৰ মাধ্যম অর্থাৎ 'মিডিয়া' ইংৰাজী শব্দ 'মিডিয়াম'ৰ বহুবচন। ই গণসংযোগৰ প্ৰণালী আৰু

৯। নং প্ৰশ্নৰ উত্তৰঃ ডিজিটেল জগতৰ সংযোগ প্ৰক্ৰিয়াৰ নতুন ব্যৱস্থাবোৰে সৰু সৰু জনগোটবোৰক ইণ্টাৰনেটৰ যোগেদি সন্মিলিত হোৱাৰ উপৰিও তথ্য আৰু সামগ্ৰী আদিৰ বেহা -বেপাৰৰো সুবিধা প্ৰদান কৰে। এইবোৰে আকৌ লোকসকলক তেওঁলোকৰ সমাজত তথা সমগ্ৰ পৃথিৱীৰ সমুখত নিজৰ নিজৰ মত প্ৰকাশ কৰিবলৈ সুবিধা দিয়ে। উদাহৰণ স্বৰূপে এজন জনসম্পর্কৰক্ষী বিষয়াই এখন সংবাদ মেলৰ আয়োজন কৰিছে। তেওঁ সকলো অতিথিকে ই-মেইলৰ যোগেদি আমন্ত্ৰণ জনাব পাৰে। তেওঁ অতিথিসকলৰ পৰা সংবাদমেলত অংশগ্ৰহণ কৰাৰ প্ৰতিশ্ৰুতি ততালিকে পাই যাব।



১২.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধর্মী প্ৰশ্ন ঃ

১ নং প্ৰশ্নঃ বাহ্যিক জনগোষ্ঠী মানে কি?

২ নং প্ৰশ্নঃ নতুন মাধ্যম কাক বোলে?

(খ) চমু প্ৰশ্নঃ (প্ৰায় ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

১ নং প্ৰশ্নঃ আপোনাৰ পছন্দৰ যিকোনো এটা সংগঠনৰ 'পাব্লিকচ্' ৰ তালিকা এখন তৈয়াৰ কৰক।

২ নং প্ৰশ্নঃ ছপা মাধ্যমৰ বিশেষত্ব কি কি?

(গ) ৰচনাধর্মী প্ৰশ্ন ঃ (প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত)

১ নং প্ৰশ্নঃ ছপা মাধ্যম, ৰেডিঅ' আৰু টেলিভিছনৰ বিভিন্নতাসমূহ তালিকাভুক্ত কৰক।